সম্পদৰ প্ৰয়োজনাধিক ব্যৱহাৰে অঞ্চলটোৰ বনাঞ্চল আৰু বন্য জীৱৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

- অসমত পৰিৱেশ বিষয়ক শিক্ষা প্ৰসাৰত তলৰ কাৰকবোৰে অৰিহণা যোগাব পাৰে- অনা-চৰকাৰী সংস্থাবোৰৰ লগতে অন্য অনুষ্ঠান- প্ৰতিষ্ঠানৰ ভূমিকা, কৃষি সম্প্ৰসাৰণ শিক্ষা, চৰকাৰৰ ভূমিকা, বিশ্ববিদ্যালয়সমূহৰ কৰ্তৃপক্ষৰ ভূমিকা, বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ আৰু অনুষ্ঠান- প্ৰতিষ্ঠানৰ ভূমিকা ইত্যাদি।



১৪.৫ অধিক জানিবলৈ

১) Reddy, K.P. & Reddy, D.N. : Environmental Education (Neelkamal Publication Pvt. Ltd. Hyderabad)

১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ বিশেষ পৰিৱেশ জনিত সমস্যাবোৰ হ'ল-

- দ্ৰুত জনসংখ্যা বৃদ্ধি
- বৃহৎ পৰিসৰত হোৱা প্ৰব্ৰজন আৰু অনুপ্ৰৱেশ
- বনজ সম্পদ ধ্বংস
- অপৰিকল্পিত ঔদ্যোগিক বিকাশ
- যান-বাহনে সৃষ্টি কৰা সমস্যা
- গোটা বৰ্জ্য সামগ্ৰীয়ে সৃষ্টি কৰা সমস্যা
- বানপানী আৰু খহনীয়া
- মানুহ-জন্তুৰ সংঘাত
- অকৰ্তৃত্বশীলভাৱে মাটি খন্দা আৰু দখল কৰা প্ৰক্ৰিয়া।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰৰ দুটা সুযোগ হ'ল-

- ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয়ে গ্ৰামাঞ্চলৰ কৃষিজীৱি লোকক পৰিৱেশ বিষয়ক শিক্ষা দিবলৈ বিভিন্ন সম্প্ৰসাৰণ সেৱা আগবঢ়াব পাৰে। বিশ্ববিদ্যালয়ে ৰাজ্যৰ খেতিপ্ৰধান অঞ্চলবোৰত প্ৰশিক্ষণ কেন্দ্ৰ খুলি সাৰ, ৰাসায়নিক দ্ৰব্য আদিৰ প্ৰয়োগ বিধি, মাটি সংৰক্ষণ আৰু জলসিঞ্চনৰ পদ্ধতি আদি শিকাব পাৰে।
- পৰিৱেশ অধ্যয়নৰ ক্ষেত্ৰত জড়িত হৈ থকা বিভিন্ন চৰকাৰী আৰু অনা- চৰকাৰী সংস্থাই (NGO) অনা- আনুষ্ঠানিক শিক্ষা পদ্ধতিৰে মানুহক সজাগ কৰি তুলিব